# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 05-09-2026
**Time :** 7:10 PM

ASSAMESE EVENING NSD BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। গুণগত শিক্ষাৰ জৰিয়তেহে বিকশিত ভাৰতৰ সপোন পূৰণ কৰিব পৰা যাব বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে।

২। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে প্ৰাচীন শিলালিপি আৰু সামুদ্ৰিক বাণিজ্যৰ পৰা গণিতলৈ দেশে নিজৰ ঐতিহ্যৰ অধ্যয়ন আৰু পুনৰুদ্ধাৰৰ ক্ষেত্ৰত ক্ৰমান্বয়ে আত্মবিশ্বাসী হৈ উঠিছে বুলি মন্তব্য কৰিছে।

৩। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ কাইলৈ চাৰিদিনীয়া ভ্ৰমণসূচীৰে অসম, মেঘালয়, মণিপুৰ আৰু অৰুণাচল প্ৰদেশলৈ আহিব।

৪। নেপালৰ আকস্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ৩৪৪ লৈ বৃদ্ধি পাইছে। ***আৰু***

৫। মহিলাৰ টি-২০ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ অন্তিমখন খেলত ভাৰত আজি পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

গুণগত শিক্ষাৰ জৰিয়তেহে বিকশিত ভাৰতৰ সপোন পূৰণ কৰিব পৰা যাব বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। শিক্ষক দিৱস উপলক্ষে আজি নতুন দিল্লীত আয়োজিত ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটা প্ৰদান অনুষ্ঠানত ভাষণ দি শ্ৰীমতী মুৰ্মুৱে এইদৰে প্ৰকাশ কৰে। তেঁও কয়, যে শিক্ষকক সন্মান কৰা সমাজকহে প্ৰকৃতাৰ্থত প্ৰগতিশীল সমাজ বুলি ক'ব পাৰি। ৰাষ্ট্ৰপতিগৰাকীয়ে শিক্ষাক সংবিধানত উল্লেখ কৰা সম সুযোগৰ আদৰ্শৰাজি বাস্তৱায়িত কৰাৰ আটাইতকৈ ফলপ্ৰসূ মাধ্যম বুলি উল্লেখ কৰে। তেওঁ কয়, যে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰচেষ্টাৰ বলতহে আধাতে প্ৰাথমিক বিদ্যালয় ত্যাগ কৰা ছাত্ৰ-ছাত্ৰীৰ হাৰ চকুত লগা ধৰণে হ্ৰাস পাইছে আৰু দেশত এনে শিক্ষাৰ্থীৰ সংখ্যা লেশমাত্ৰ হৈছে।

**বাইট (ৰাষ্ট্ৰপতি)-১**

শ্ৰীমতী মুৰ্মুৱে কয়, যে শৈক্ষিক উৎকৰ্ষতা, দক্ষতা বিকাশ আৰু উদ্যমশীলতাৰ মনোভাৱে ৰাষ্ট্ৰৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁ কয়, যে ভাৰতবৰ্ষক জ্ঞানৰ শক্তিৰ লগতে বিশ্বৰ দক্ষতা ৰাজধানী হিচাপে গঢ়ি তোলাটো দেশৰ বাবে অগ্ৰাধিকাৰৰ বিষয়। শক্তিৰ মহান উৎস হিচাপে জ্ঞানৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি শ্ৰীমতী মুৰ্মুৱে কয়, যে শিক্ষাই সকলোকে স্বাধীনচিতীয়াভাৱে চিন্তা-চৰ্চা কৰিবলৈ, সঠিক সিদ্ধান্ত গ্ৰহণ কৰিবলৈ আৰু দেশৰ প্ৰগতিত অৰ্থৱহ অৰিহণা যোগাব পৰাকৈ সবল কৰি তোলে। নিষ্ঠাৱান শিক্ষক-শিক্ষয়িত্ৰীসকলক অগ্ৰণী ৰাষ্ট্ৰ নিৰ্মাতা বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

**বাইট (ৰাষ্ট্ৰপতি)-২**

শ্ৰীমতী মুৰ্মুৱে লগতে মহিলাৰ অধিকাৰ আৰু শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা সাবিত্ৰীবাই ফুলেৰ গুৰুত্বপূৰ্ণ অৱদানৰ বিষয়েও স্মৰণ কৰে। তেওঁ কয়, যে স্কুলীয়া শিক্ষা হৈছে শিক্ষাব্যৱস্থাৰ মূল ভেটিস্বৰূপ।

শৈশৱতে শিশুৰ বৌদ্ধিক, শাৰীৰিক আৰু মানসিক বিকাশত নিৰন্তৰ গুৰুত্ব আৰোপ কৰি শিক্ষক-শিক্ষয়িত্ৰীসকলে ভৱিষ্যৎ প্ৰজন্ম শ্ৰেষ্ঠ শিক্ষাৰ্থী আৰু কৰ্তব্যপৰায়ণ নাগৰিক হিচাপে গঢ় দিব পাৰে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে।

শিক্ষক দিৱস উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় শিক্ষক বঁটাসমূহ প্ৰদান কৰে। ২৭ খন ৰাজ্য ৭টা কেন্দ্ৰীয় শাসিত অঞ্চল আৰু কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ ছটা সংস্থাৰ বচা বচা ৪৮ গৰাকী বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীক বঁটা প্ৰদান কৰা হয়। শ্ৰীমতী মুৰ্মুৱে লগতে উচ্চ শিক্ষা প্ৰতিষ্ঠান আৰু পলি টেকনিকৰ ২১ গৰাকী শিক্ষক আৰু অধ্যাপকক ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰে। তদুপৰি কেন্দ্ৰীয় উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ ১২ গৰাকী শিক্ষক আৰু অধ্যাপকক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত বঁটা লাভ কৰাসকলৰ উল্লেখনীয় কৰ্মৰাজিক লৈ নিৰ্মাণ কৰা একোখনকৈ চুটি তথ্য চিত্ৰ প্ৰদৰ্শন কৰা হয়।

ইয়াৰ পূৰ্বে শ্ৰীমতী মুৰ্মুৱে ৰাষ্ট্ৰপতি ভৱনত ভাৰতৰত্ন সন্মানেৰে সন্মানিত ডঃ সৰ্বেপল্লি ৰাধাকৃষ্ণণৰ জয়ন্তীত শ্ৰদ্ধা নিবেদন কৰে। ডঃ ৰাধাকৃষ্ণণে ১৯৫২-ৰ পৰা ১৯৬২ চনলৈ উপ-ৰাষ্ট্ৰপতি হিচাপে আৰু ১৯৬২ৰ পৰা ১৯৬৭ চনলৈ দেশৰ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

ooooo

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে প্ৰাচীন শিলালিপি আৰু সামুদ্ৰিক বাণিজ্যৰ পৰা গণিতলৈ দেশে নিজৰ ঐতিহ্যৰ অধ্যয়ন আৰু পুনৰুদ্ধাৰৰ ক্ষেত্ৰত ক্ৰমান্বয়ে আত্মবিশ্বাসী হৈ উঠিছে বুলি মন্তব্য কৰিছে। আজি নতুন দিল্লীত বাৰ্ষিক ইতিহাস বঁটা প্ৰদান অনুষ্ঠান আৰু ড০ এছ এল ভৈৰাপ্পা সোঁৱৰণী বক্তৃতানুষ্ঠানত উপস্থিত থাকি বিত্তমন্ত্ৰীগৰাকীয়ে এই মন্তব্য আগবঢ়ায়। তেওঁ লগতে কয়, যে ঔপনিবেশিকীকৰণৰ অৰ্থ হ'ল ঐতিহাসিক সম্পদসমূহৰ প্ৰচাৰ কৰা, নতুন ভাষাৰ পৰিচয় কৰাই দিয়া আৰু দেশৰ অতীতক ব্যাখ্যা কৰিবলৈ গৱেষকসকলক এখন মঞ্চ প্ৰদান কৰা। ভাৰতৰ আত্মবিশ্বাসৰ কথা উল্লেখ কৰি শ্ৰীমতী সীতাৰমণে কয়, যে ঐতিহ্যৰ অধ্যয়ন আৰু প্ৰসাৰৰ বাবে দেশে এতিয়া আনৰ অনুমতিৰ বাবে অপেক্ষা নকৰে।

ooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ কাইলৈ চাৰিদিনীয়া ভ্ৰমণসূচীৰে অসম, মেঘালয়, মণিপুৰ আৰু অৰুণাচল প্ৰদেশলৈ আহিব। ভ্ৰমণকালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে এলানি শৈক্ষিক, সাংস্কৃতিক আৰু ৰাজহুৱা অনুষ্ঠানত ভাগ ল'ব। তেওঁ লগতে ঐতিহাসিক, সামাজিক আৰু ৰাষ্ট্ৰীয় গুৰুত্বৰ কেইবাটাও প্ৰতিষ্ঠানো পৰিদৰ্শন কৰিব।

ভ্ৰমণৰ প্ৰথম দিনা শ্ৰীৰাধাকৃষ্ণণে গুৱাহাটীৰ গীতানগৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰিব। গীতানগৰ মহাবিদ্যালয়, পূৰ্বতে কন্যা মহাবিদ্যালয় হিচাপে জনাজাত আছিল। ইয়াৰ পাছত উপ-ৰাষ্ট্ৰপতিগৰাকী গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন সমাৰোহত উপস্থিত থাকিব। শ্ৰীৰাধাকৃষ্ণণে সোমবাৰে গুৱাহাটী বিশ্ববিদ্যালয়ত এটা আধাৰশিলা স্থাপন অনুষ্ঠানত ভাগ ল'ব। তেওঁ লগতে বিশ্ববিদ্যালয়খনৰ অভিৱৰ্তন কেন্দ্ৰত শিক্ষাৰ্থী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু বিশিষ্ট নাগৰিকৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত উপ-ৰাষ্ট্ৰপতিগৰাকী শ্বিলঙলৈ ৰাওনা হ'ব। তাত তেওঁ ছ'ছ'থাম প্ৰেক্ষাগৃহৰ এটা ৰাজহুৱা অভ্যৰ্থনা আৰু সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰিব। উপ-ৰাষ্ট্ৰপতিগৰাকী মঙলবাৰে ইম্ফললৈ যাব। তেওঁ মাইৰংস্থিত আই এন এ সংগ্ৰহালয় তথা যুদ্ধস্মাৰক আৰু ইম্ফল সৈনিক বিদ্যালয় পৰিদৰ্শন কৰিব। ইয়াৰ পাছতে উপ-ৰাষ্ট্ৰপতিগৰাকী অৰুণাচল প্ৰদেশৰ ৰাজধানী ইটানগৰলৈ ৰাওনা হ'ব। ভ্ৰমণৰ অন্তিম দিনা শ্ৰীৰাধাকৃষ্ণণে অৰুণাচল প্ৰদেশ বিধানসভাৰ

বিশেষ অধিৱেশনত ভাগ ল'ব আৰু বিধানসভা বিথীকা  তথা সংগ্ৰহালয় পৰিদৰ্শন কৰিব। তেওঁ লগতে ইটানগৰস্থিত জৱাহৰলাল নেহৰু ৰাজ্যিক সংগ্ৰহালয় আৰু শ্ৰৱণ শক্তিৰোহিত তথা দৃষ্টিৰোহিত শিক্ষাৰ্থীৰ বাবে থকা ডঞ্চি প'লো মিছন বিদ্যালয়ো পৰিদৰ্শন কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীয়ে আজি শিক্ষক দিৱস উপলক্ষে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে লিখা এটা প্ৰবন্ধ সামাজিক মাধ্যমত প্ৰকাশ কৰি কয় যে প্ৰবন্ধটোত শিক্ষাদানক মানৱতা গঢ় দিয়া, শিক্ষাৰ্থীসকলক স্বাধীনচিতিয়াকৈ চিন্তা কৰিবলৈ আৰু কৌতূহলী হ'বলৈ উৎসাহিত কৰা এটা পবিত্ৰ কাম বুলি অভিহিত কৰিছে।

দেশৰ সাংস্কৃতিক ঐতিহ্য, বৈজ্ঞানিক দৃষ্টিভংগী, অন্ত্যোদয়ৰ আদৰ্শ, পৰিৱেশ সুৰক্ষা আৰু ৰাষ্ট্ৰ প্ৰথম আদৰ্শৰে ছাত্ৰ ছাত্ৰী সকলক দিক্ষিত কৰি ভাল মানুহ হিচাপে গঢ়ি তুলিবলৈ প্ৰধানমন্ত্ৰী গৰাকীয়ে শিক্ষক সকলক আহ্বান জনাইছে।

শ্ৰীমোদীয়ে লগতে উল্লেখ কৰিছে যে শিক্ষকসকলে জ্ঞান, দক্ষতা, মূল্যবোধ আৰু অনুপ্ৰেৰণা প্ৰদান কৰি দেশৰ উঠি অহা প্ৰজন্মটোৰ ভাগ্য নিৰ্ধাৰণ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি শিক্ষামন্ত্ৰী প্ৰহ্লাদ যোশীয়েও শিক্ষক দিৱস উপলক্ষে লিখা আন এটা প্ৰবন্ধ সামাজিক মাধ্যমত প্ৰকাশ কৰিছে।  তেওঁ কয় যে শিক্ষা মন্ত্ৰীগৰাকীৰ প্ৰবন্ধটোৱে শিক্ষাৰ্থীসকলক তথ্যৰ পৰা শিক্ষা আৰু শিক্ষাৰ পৰা প্ৰজ্ঞাৰ দিশত পথ প্ৰদৰ্শন কৰাত শিক্ষকৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়তো আলোকপাত কৰিছে। শ্ৰীযোশীয়ে তেওঁৰ প্ৰবন্ধটোত ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০য়ে শিক্ষাৰ্থীসকলক আন বহু বিষয়তো প্ৰতিনিধিত্ব কৰাৰ সুযোগ প্ৰদান কৰে বুলি প্ৰধানমন্ত্ৰী গৰাকীয়ে সামাজিক মাধ্যমত উল্লেখ কৰিছে। শ্ৰীমোদীয়ে লগতে কয়, যে প্ৰবন্ধটোৱে শিক্ষকসকলক উদযাপন কৰা ভাৰতৰ এই পৰম্পৰাক জ্ঞান প্ৰদান কৰা সকলোলৈ গভীৰ সন্মানৰ প্ৰদৰ্শন বুলি অভিহিত কৰিছে।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে পদ্মশ্ৰী সন্মানেৰে বিভূষিত ইন্দিৰা মিৰিৰ জন্ম বাৰ্ষিকী উপলক্ষে আজি শিক্ষাবিদগৰাকীৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে শিক্ষক দিৱস উপলক্ষে সামাজিক মাধ্যমযোগে দিয়া এটা  বাৰ্তাত কয় যে ইন্দিৰা মিৰিয়ে উত্তৰ পূৰ্বাঞ্চলত শিক্ষাৰ প্ৰসাৰৰ অগ্ৰণী ভূমিকা পালন কৰিছিল। তেওঁ কয় যে মহিলা আৰু সমাজৰ উপান্ত শ্ৰেণীসমূহৰ মাজত শিক্ষাৰ পোহৰ বিলোৱাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে তেওঁক সদায় স্মৰণ কৰা হ'ব। শিক্ষাক সামাজিক পৰিৱৰ্তনৰ মাধ্যম হিচাপে প্ৰতিষ্ঠা কৰি শিক্ষাবিদগৰাকীয়ে  দেখুওৱা আদৰ্শ আৰু নিষ্ঠাই নতুন প্ৰজন্মক সদায় অনুপ্ৰাণিত কৰি যাব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০

নেপালৰ আকস্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ৩৪৪ লৈ বৃদ্ধি পাইছে। চুবুৰীয়া ৰাষ্ট্ৰখনৰ ৮ খন প্ৰভাৱিত জিলাত উদ্ধাৰ অভিযান অব্যাহত আছে। উদ্ধাৰকাৰী দলে বৰ্তমানলৈকে ১৩ হাজাৰৰ অধিক লোকক উদ্ধাৰ কৰিছে। প্ৰায় ৫ হাজাৰ লোক এতিয়া সন্ধানহীন হৈ আছে। নুৱাকোট জিলাৰ এটা চাৰিমহলীয়া অট্টালিকাৰ ধ্বংসস্তূপৰ মাজত ১০ দিন আৱদ্ধ হৈ থকা এগৰাকী ৬০ বছৰীয়া মহিলাক আজি জীৱন্তে উদ্ধাৰ কৰা হয়। নেপালত ছিন্ন-ভিন্ন মৃতদেহসমূহ চিনাক্ত কৰাৰ বাবে ডি এন এ পৰীক্ষা আৰম্ভ কৰা হৈছে। বৰ্তমানলৈকে মাত্ৰ ৯৬টা মৃতদেহে চিনাক্ত কৰি পৰিয়ালবৰ্গৰ হাতত গটাই দিয়া হৈছে।

সংবাদমাধ্যমৰ বাতৰি অনুসৰি নেপালৰ ৮ খন জিলাত বৰ্তমানলৈ উদ্ধাৰ হোৱা মৃতদেহসমূহৰ ভিতৰত ৭৫৮টা প্ৰাপ্তবয়স্ক লোকৰ, ৮৫টা শিশুৰ আৰু ৫০১টা অংগক্ষত মৃতদেহ আছে।

০০০০০

ভাৰত আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ টি-২০ এছিয়া কাপৰ গ্ৰুপ-এৰ অন্তিমখন খেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

উল্লেখযোগ্য যে পূৰ্বৰ দুখন খেলত থাইলেণ্ড আৰু হংকঙৰ বিৰুদ্ধে জয় লাভ কৰি ভাৰতে ইতিমধ্যে ছেমি ফাইনেলত স্থান দখল কৰিছে।

০০০০০

সমাপ্ত